# SAMPLE QUESTION PAPER OF SUMMATIVE ASSESSMENT -2010

**SUBJECT : ASSAMESE CODE : 014**

**CLASS : IX**

**FIRST TERM**

**(APRIL TO SEPTEMBER)**

Max. Marks = 80 Time : 3 Hrs.

**The Question paper is divided into four sections :-**

| | | |
|---|---|---|
| SECTION - A : | Reading (Comprehension) | 15 Marks |
| SECTION - B : | Writing | 15 Marks |
| SECTION - C : | Grammar | 15 Marks |
| SECTION - D : | Literature / Test Books | 35 Marks |

## SECTION - A

1. **তলত দিয়া অনুচ্ছেদ তিনিটা ভালদৰে পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ-**

(ক) প্ৰাচীন মিচৰীয়সকলে ‘পেপিৰাছ’ নামৰ এবিধ নল-খাগৰিৰ পৰা এক প্ৰকাৰৰ কাগজ তৈয়াৰ কৰিছিল। পেপিৰাছ শব্দৰ পৰাই ইংৰাজীৰ পেপাৰ শব্দটো ওলাইছে। সাধাৰণতে এনে কাগজ বহলে প্ৰায় আধাফুট। কিন্তু ইয়াৰ দীঘল আছিল যথেষ্ট, প্ৰায় দুশ ফুট পৰ্যন্ত। ৰাসায়নিক প্ৰক্ৰিয়াৰে নানা ৰঙৰ চিয়াঁহী তৈয়াৰ কৰি মিচৰীয়সকলে নল-খাগৰিৰ কলমেৰে এনে কাগজত লিখিছিল। এইবিলাক মেৰিয়াই নুৰা কৰি থোৱাৰ ব্যৱস্থা আছিল। ইজিপ্তৰ শুকান জলবায়ুৰ বাবে বহুবছৰলৈ এইবোৰ সংৰক্ষণ কৰি ৰাখিব পৰা হৈছিল। প্ৰাচ্য দেশত কিতাপ ৰচনা কৰা প্ৰথম জাতিটো হ’ল চীনাসকল। অতীজতে তেওঁলোকে পৰ্বতৰ শিলত, মাটিৰ ফলিত তদুপৰি কাছৰ চলং, পাটৰ কাপোৰ আদিত লিখিছিল। পিছলৈ বাঁহ গছৰ পৰা, কাগজ তৈয়াৰ কৰা এটা পদ্ধতি তেওঁলোকে আৱিষ্কাৰ কৰিছিল।

প্ৰ ঃ- (i) ‘পেপিৰাছ’ কি ? ইয়াৰ পৰা তৈয়াৰ হোৱা কাগজৰ আকাৰ কেনেকুৱা? কোনে এনে কাগজ ব্যৱহাৰ কৰিছিল ? $\frac{1}{2} + 1 + \frac{1}{2} = 2$

(ii) প্ৰাচ্যদেশত প্ৰথমে কিতাপ ৰচনা কৰা জাতিটো কোন আছিল ? প্ৰথমে তেওঁলোকে আখৰ লিখিবৰ বাবে কি ব্যৱস্থাৰ কৰিছিল? পিছলৈ তেওঁলোকে কিহৰ পৰা কাগজ তৈয়াৰ কৰিছিল ? $\frac{1}{2} + 1 + \frac{1}{2} = 2$

(iii) তলত দিয়া পদৰ পৰা ‘শুকান’ শব্দ কি পদ নিৰ্ণয় কৰা ঃ- 1

(ক) গুণবাচক বিশেষ্য

(খ) বিশেষ্যৰ বিশেষণ

(গ) বিশেষণীয় বিশেষণ

(খ) শিৱসাগৰৰ দিখৌ নৈৰ নৈসৰ্গিক শোভা, ৰজাদিনীয়া কীৰ্তি-চিহ্ন আদিয়ে সেই তাহানিতে বেজবৰুৱাদেৱৰ মনত গভীৰ সাঁচ বহুৱায়। ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ ঘৰত বৈদিক নিত্য-কৰ্মৰ লগতে বৈষ্ণৱ ধৰ্মৰ নাম-পাঠ প্ৰসংগ আদিও যথাৰীতি অনুষ্ঠিত হৈছিল। এই সকলোৰে প্ৰভাৱতে বেজবৰুৱা ডাঙৰীয়াই পৰৱৰ্তী জীৱনত অসমীয়া জাতীয় জীৱনৰ কৰ্ণধাৰৰূপে নিজকে প্ৰতিষ্ঠা কৰিব পাৰিছিল। বেজবৰুৱা সৰুৰে পৰা অনুসন্ধিৎসু আৰু পৰ্যবেক্ষণশীল স্বভাৱৰ আছিল। পঢ়াশলীয়া লিখা-পঢ়াতকৈ হাতে-কামে শিক্ষা আৰু খেল-ধেমালিৰ প্ৰতিহে তেখেত অধিক অনুৰাগী আছিল। সেয়ে ছাত্ৰ হিচাপে তেওঁ চকুত পৰা বিধৰ নাছিল, ইংৰাজী ১৮৮৬ চনত শিৱসাগৰ হাইস্কুলৰ পৰা পৰীক্ষাত উত্তীৰ্ণ হৈ কুৰিটকীয়া জলপানী লৈ তেখেত কলিকতাৰ কলেজত পঢ়িবলৈ যায় আৰু ১৯০৮ খৃষ্টাব্দত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা তেখেতে স্নাতক উপাধি লাভ কৰে। ইংৰাজী সাহিত্যৰ এম. এ. আৰু আইনৰ পৰীক্ষা দিবলৈও তেখেত সাজু হৈছিল, কিন্তু বিশ্ববিদ্যালয়ৰ পৰীক্ষা সংক্ৰান্ত নীতিৰ আসোঁৱাহ দেখি তেখেতে আইন পৰীক্ষা নিদিলে। চৰকাৰী চাকৰি নকৰি বেজবৰুৱাদেৱে অসমৰ স্বনামধন্য ব্যৱসায়ী সাউদ ভোলানাথ বৰুৱাদেৱৰ লগত যুতীয়াভাৱে কাঠৰ ব্যৱসায় কৰিবলৈ লয়।

প্ৰশ্ন ঃ (i) বেজবৰুৱা ডাঙৰীয়াইঅসমীয় জাতীয় জীৱনত কৰ্ণধাৰৰূপে নিজকে প্ৰতিষ্ঠা কৰাৰ আঁৰত কিহৰ প্ৰভাৱ আছিল লিখা। 2

(ii) ছাত্ৰ হিচাপে বেজবৰুৱা কিয় চকুত পৰা বিধৰ নাছিল? চৰকাৰী চাকৰি নকৰি তেখেতে কাৰ লগত কিহৰ ব্যৱসায় কৰিছিল? 1+1= 2

(iii) ‘পৰীক্ষা’ৰ শুদ্ধ সন্ধিৰূপ বাছি উলিওৱা ঃ- 1

(ক) পৰী + ঈক্ষা

(খ) পৰি + ইক্ষা

(গ) পৰি + ঈক্ষা

(খ) শিক্ষা কি? এই বিষয়ে নানা লোকৰ নানা মত। কিছুমানৰ মতে মানুহৰ মনত মেধা-শক্তি, ইচ্ছা-শক্তি কল্পনা-শক্তি, ভৱা-শক্তি আদি যিবোৰ মানসিক প্ৰবৃত্তি আছে’ এইবোৰ কোনো এটা প্ৰবৃত্তিক জীৱনৰ লগত সম্বন্ধ ৰাখি ঠিকভাৱে পৰিচালনা কৰাই শিক্ষা। আকৌ কিছুমানৰ মতে ই প্ৰকৃত শিক্ষা নহয়। একোটা প্ৰবৃত্তিৰ উন্নতি সাধনে বা একোটা মহলা সমাপ্ত কৰিলে মানুহক খোৱা-বোৱা, পিন্ধা-উৰা, থকা-মেলা, বিলাসিতাৰ সামগ্ৰী সংগ্ৰহ কৰা আদি কিছুমান কাৰ্যৰ বাবে উপযুক্ত কৰি তুলিলেও তাকে প্ৰকৃত শিক্ষা বুলিব নোৱাৰি। কাৰণ, একো একোটা প্ৰবৃত্তিৰ লগত জড়িত কাম সম্পাদন কৰিবলৈহে উপযুক্ত হ’ব। বাকী কাম কৰা শক্তি তেওঁ লাভ কৰিব নোৱাৰিব। এনে শিক্ষা - প্ৰকৃত শিক্ষাৰ অংশহে মাথোন। প্ৰকৃত আৰু সম্পূৰ্ণ শিক্ষাৰ উদ্দেশ্য হৈছে, মানুহৰ অন্তৰৰ যিমানবোৰ উচ্চ আৰু সজ প্ৰবৃত্তি নিহিত আছে- সেই সকলোবোৰকে সজ উপায়েৰে উৎকৰ্ষ সাধন কৰি মানুহটোক সকলো কামৰ কাৰণে আৰু সমাজৰ কল্যাণ সাধন কৰি সৰ্ব্বাংগ

সুন্দৰ জীৱন-যাপনৰ বাবে উপযুক্ত কৰি তোলাটো। যি শিক্ষাই মানহৰ সকলোবোৰ সুকুমাৰ প্ৰবৃত্তিৰ সমন্বয় ঘটাই আৰু উন্নতি সাধন কৰি মানুহটোক সুস্থ, সবল, কৰ্মক্ষম, বহুল দৃষ্টি-ভংগীৰ উপযুক্ত মানুহ কৰি তুলিব পাৰিব, সিয়েই প্ৰকৃত শিক্ষা।

প্ৰশ্ন ঃ (i) উক্ত অনুচ্ছেদটিৰ আধাৰত 'শিক্ষা' সম্পৰ্কে দুটি মতামত আগবঢ়োৱা। 2

(ii) প্ৰকৃত শিক্ষাক কিদৰে আখ্যা দিয়া হৈছে লিখা। 2

(iii) 'মানুহ' কি লিংগ নিৰ্ণয় কৰা ঃ- 1

(ক) পুংলিংগ

(খ) উভয়লিংগ

(গ) ক্লীৱলিংগ

## SECTION - B

2. **তলত দিয়া ইংগিতৰ সহয়ত প্ৰায় দুশমান শব্দৰ ভিতৰত শিৰোনামাৰে সৈতে এটা গল্প লিখা আৰু ইয়াৰ পৰা কি নীতিশিক্ষা লাভ কৰিলা উল্লেখ কৰিবা ঃ-** 1+3+2= 6

এজন সৎ আৰু সাধু খৰিকটীয়া —— কুঠাৰখন পানীত পৰিল। জলদেৱতা ওলাই আহি তিনিখন কুঠাৰ দিলে। খৰিকটীয়াই নিজৰখন ল'লে। জলদেৱতাই আটাইকেইখন দি দিলে।

3. **প্ৰায় এশটামান শব্দত তলত যিকোনো এটাৰ ভাৱ-সম্প্ৰসাৰণ কৰা ঃ-** 6

(ক) স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ মংগল-মন্দিৰৰ সিংহ দুৱাৰ হৈছে মাতৃভাষা।

(খ) শ্ৰম সিদ্ধিৰ অমোঘ অস্ত্ৰ।

4. **তোমাৰ বিদ্যালয়ত অলপতে অনুষ্ঠিত হৈ যোৱা কবিতা আবৃত্তি প্ৰতিযোগিতা খনিৰ বিষয়ে বাতৰি কাকতত প্ৰকাশ কৰিবলৈ এখনি প্ৰতিবেদন লিখা।** 3

## SECTION - C

5. (i) **তলত দিয়া শব্দবোৰৰ পৰা অনুকাৰ আৰু অনুৰূপ শব্দ বাছি উলিয়াই লিখা ঃ-** $\frac{1}{2}$ x10 = 5

চাহ-তাহ, টংটং, হিৰ্হিৰ, জা-জলপান, মাছ-তাছ, কেৰ্কেৰ্, তেল-কুৰ, টিক্টিক্, চাকৰ- নাকৰ, বা-বাতৰি, ছাত্ৰ-ছাত্ৰী, তামোল-পাণ।

(ii) **তলত দিয়া স্বৰসন্ধিৰ শুদ্ধৰূপ বাছি উলিয়াই লিখা ঃ-** 1 x 5 = 5

**বিদ্যোৎসাহী ঃ-** (ক) বিদ্যাৎ + সাহী

(খ) বিদ্যা + উৎসাহী

(গ) বিদ্যাৎসাহ + ঈ

ৰাজৰ্ষি ঃ- (ক) ৰাজ + ঋষি
(খ) ৰাজা + ঋষি
(গ) ৰজা + ঋষি

গবাক্ষ ঃ- (ক) গো + অক্ষ
(খ) গব + আক্ষ
(গ) গো + আক্ষ

আশাতীত ঃ- (ক) আশা + তীত
(খ) আশা + অতিত
(গ) আশা + অতীত

প্ৰত্যাশা ঃ- (ক) প্ৰতি + ঈশা
(খ) প্ৰতি + ইশা
(গ) প্ৰতি + আশা

(ii) শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা ঃ- 1 x 5 = 5

(ক) 'পাল' ধাতুৰ ক্ৰিয়াবাচক বিশেষ্য হ'ল ঃ-
(i) পালক
(ii) পালন
(iii) পালিত

(খ) বিশেষণীয় বিশেষণৰ এটি উদাহৰণ হ'ল -
(i) <u>বিশাল</u> দুৱাৰখন <u>বৰ</u> <u>জোৰেৰে</u> ঠেলি দিলে।

(গ) ক্ৰিয়া বিশেষণ পদে -
(i) কাম কৰা বুজায়।
(ii) ক্ৰিয়াৰ অৱস্থা, গুণ আদি বুজায়।
(iii) ক্ৰিয়াৰ নাম বুজায়।

(ঘ) সৌৰা, তেওঁলোক আহি আছে। - সৌৰা পদটো -
(i) বিশেষ্যাৰ বিশেষণ।
(ii) ব্যক্তিবাচক সৰ্বনাম।
(iii) বিশেষণ সৰ্বনাম।

(ঙ) সভাত প্ৰায় দহহাজাৰ মানুহ গোট খাইছিল। 'দহহাজৰ' -
(i) বিশেষ্য পদ।
(ii) বিশেষণ পদ।
(iii) সৰ্বনাম পদ।

## SECTION - D

6. (i) **প্ৰসংগ সংগতি দৰ্শাই তলৰ যিকোনো এফাঁকি কবিতা ব্যাখ্যা কৰা ঃ-** 2+3 = 5

(ক) "স্বপ্ন গুছি এয়ে সঁচা চকুৰ আগত
যদি চাব জানা এই সুন্দৰ জগত।"

(খ) "সমস্ত ভূতৰ তুমি আছা হৃদয়ত।
তত্ব নাপাই তোমাক বিচাৰে বাহিৰত।"

(ii) **তলত যিকোনো তিনিটা প্ৰশ্নৰ চমু উত্তৰ লিখা ঃ-** 2 x 3 = 6

(ক) প্ৰকৃত কবিৰ লক্ষণ কি? তেওঁ কি কৰি ভাল পায় লিখা।

(খ) "নুফুৰিবা পৃথিৱীত পখিলা নেচাই" — কথাষাৰৰ মাজেদি কবিয়ে কি ক'বলৈ বিচাৰিছে?

(গ) চন্দ্ৰকুমাৰ আগৰৱালা বা হিতেশ্বৰ বৰবৰুৱাৰ বিষয়ে প্ৰায় ত্ৰিশটামান শব্দত চমুকৈ লিখা।

(ঘ) "হৰৰ কৃষ্ণস্তুতি" কবিতাটিত কোনে, কাক আৰু কিয় স্তুতি কৰিছে লিখা।

(iii) **শুদ্ধ উত্তৰ লিখা ঃ-** 1 x 4 = 4

(ক) 'সুখগীত' কবিতাটি মালচ/আভাস/প্ৰতিমা পুথিৰ অন্তৰ্গত।

(খ) সুখৰ আধাৰ হ'ল-
(i) ৰবিৰ কিৰণ
(ii) ভোগৰ আহিলা
(iii) বাস্তৱক নিৰীক্ষণ কৰিব পৰা সুক্ষ্ম দৃষ্টি ভংগী।

(গ) পাৰিজাত ফুল পাতালপুৰীত/অৰণ্যত/নন্দন কাননত ফুলে।

(ঘ) বিধিৰ দাতা বুলি শংকৰদেৱক/আত্মাক/কৃষ্ণক বুজাইছে।

7. (i) **প্ৰসংগ সংগতি দৰ্শাই তলৰ যিকোনো এছোৱাৰ ব্যাখ্যা কৰা ঃ-** 2+3 = 5

(ক) "তোমালোকৰ ধন মাটিৰ তলত মামৰে নষ্ট কৰিব নিদিবা"

(খ) "মানুহৰ এক কল্পই ব্ৰহ্মাৰ এদিন।"

(ii) **তলত যিকোনো তিনিটা প্ৰশ্নৰ চমু উত্তৰ লিখা ঃ-** 2 x 3 = 6

(ক) "দেশ অৱশ্যে সভ্য আৰু গিয়ানী হ'ব -
ইয়াত কি উপায় ল'লে দেশ সভ্য আৰু জ্ঞানী হ'ব বুলি কোৱা হেছে?

(খ) 'সজ চৰিত্ৰ আৰু সজ আচৰণ' পাঠটিত আলোচিত হোৱা বেয়া গুণসমূহ কি কি ? এইবোৰে মানুহৰ কেনেধৰণৰ ক্ষতিসাধন কৰে বুলি লেখকে কৈছে?

(গ) বিজ্ঞানৰ আৱিস্কাৰৰ লগতে মানুহে কিহৰ ওপৰত ভিত্তি কৰি সময় সম্পৰ্কে অৱগত হৈছিল?

(ঘ) সময়ৰ সুৰুঙাবোৰক লেখকে কাৰ কাৰ লগত তুলনা কৰিছে? লেখকে সময়ৰ সুৰুঙাবোৰক কিহৰ দৰে ব্যৱহাৰ কৰিব লাগে বুলি কৈছে বুজাই লিখা।

(iii) শুদ্ধ উত্তৰটো বাচি উলিয়াই লিখা ঃ- 1 x 4 = 4

(ক) লেখকৰ মতে জাপানৰ/চীনৰ/ইংৰাজৰ বুৰঞ্জী জনা বৰ আৱশ্যক।

(খ) মানুহৰ সজ চৰিত্ৰ শুৱনি/বগা/ডাঙৰ ফুলতকৈয়ো মনোহৰ।

(গ) ককা নীলমণি ফুকনে ডিব্ৰুগড়ত স্কুলীয়া/কলেজীয়া/সাধাৰণ শিক্ষা গ্ৰহণ কৰিছিল।

(ঘ) সহনৰ সমান শক্তি/গুণ/ দোষ নাই।

8. (i) তলৰ প্ৰশ্নকেইটাৰ শুদ্ধ উত্তৰ বাচি উলিয়াই লিখা ঃ- 1 x 3 = 3

(ক) হাস্পাতালত চকীদাৰ মুকুটে মাহিলি বেতন পাইছিল -

(i) দুকুৰি টকা।

(ii) আঢ়ৈকুৰি টকা।

(iii) তিনিকুৰি টকা।

(খ) মুকুটে সোণাই নৈত মাছ পাইছিল-

(i) বহাগৰ পৰা।

(ii) জেঠৰ পৰা।

(iii) আহিনৰ পৰা।

(গ) মুকুটৰ মিলিটাৰীত থকা ভায়েকৰ নাম -

(i) ফণী।

(ii) দীনেশ।

(iii) সৰুমন।

(ii) "—— এই কেইটি নিচাতে সি ভোল গৈ আছিল।"

— এই নিচাকেইটি কি কি আছিল? 2